# MAJULI COLLEGE

## KAMALABARI

**Dist. Majuli (Assam)**

**Session : 2019-20**

*Affix a good quality recent passport size photograph of the candidate*

*Signature*

**Application Form for admission in to Majuli College Girls' Hostel**

Form No.

1. Full name of the applicant : ______________________________
   *(In block letters)*
2. Father's Name & Occupation : ______________________________
3. Mother's Name & Occupation : ______________________________
4. Name of Local Guardian : ______________________________
   Address : ______________________________
   ______________________________
   ______________________________
5. Address for Correspondance : ______________________________
   ______________________________
   Mobile No. ______________________________
6. Permanent Address : ______________________________
   ______________________________
   ______________________________
7. Marks obtained in last Exam. : __________ out of __________ P.C. __________
7. Class with year : ____________________ Roll No. __________
8. Distance between home & College : ______________________________
9. Date of birth : ____________ 10. Religion: ____________
11. Religion : ______________________________
12. Category to which applicant belongs : Gen. ☐ SC ☐ ST (P) ☐ ST (H) ☐
    OBC ☐ MOBC ☐ Minority ☐

*I /we will abide by all the rules and regulations of Majuli College Girls' Hostel formulated by the Management Committe. I /we also agree that violation of any rules will result in the expulsion from the Hostel.*

*(Signature of the Parents/ Guardian)* *(Signature of the applicant)*

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

Form No.

ADMITTED/ REJECTED

***Authorised Signatory***
***Girls' Hostel Management Committee***
***Majuli College, Kamalabari***

Price Rs. 30/=

# মাজুলী মহাবিদ্যালয় হোষ্টেলৰ নিয়মাৱলী

১। **হোষ্টেলত সোমোৱাৰ সময় ঃ**
**(ক) মাৰ্চৰ পৰা আগষ্ট মাহলৈ ঃ** সন্ধিয়া ৫.৫৯ বজা। (হোষ্টেলৰ ঘড়ীৰ সময় অনুসৰি)
**(খ) ছেপ্টেম্বৰৰ পৰা ফেব্ৰুৱাৰী মাহলৈ ঃ** সন্ধিয়া ৪.২৯ বজা। (হোষ্টেলৰ ঘড়ীৰ সময় অনুসৰি)

২। প্ৰতি সপ্তাহত এগৰাকী আৱাসীয়ে ব্যক্তিগত কামত মাত্ৰ এবাৰ বজাৰলৈ যাব পাৰিব।

৩। হোষ্টেলৰ পৰা ওলাই যাওঁতে অনুমতি বহীত চহী কৰি আৰু ঘৰলৈ যাওঁতে আবেদন কৰি যাব লাগিব।

৪। অকলে কোনো আৱাসী বজাৰলৈ যাব নোৱাৰিব।

৫। বাটে-পথে কোনো ব্যক্তিৰ লগত কথা পাতিব নোৱাৰিব। কিবা বিষয় আলোচনা কৰিবলৈ হ'লে নীতিগতভাৱে হোষ্টেললৈ আহি আলোচনা কৰিব পাৰিব।

৬। আৱাসীৰ ম'বাইল ফোনসমূহ তত্বাৱধায়ক অথবা তত্বাৱধায়কৰ দ্বাৰা দায়িত্বপ্ৰাপ্ত ব্যক্তিক নিৰ্ধাৰিত সময়ত জমা দিব লাগিব। এইক্ষেত্ৰত এই নিয়ম উলংঘাকাৰীক কঠোৰ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।
**ম'বাইল ফোন জমা লোৱাৰ সময়সূচী ঃ**
(ক) মাৰ্চৰপৰা আগষ্ট মাহলৈ ঃ সন্ধিয়া ৫.৫৯ বজাৰ পৰা পুৱা ৭.০০ বজা।
(খ) ছেপ্টেম্বৰৰ পৰা ফেব্ৰুৱাৰী মাহলৈ ঃ সন্ধিয়া ৪.৫৯ বজাৰ পৰা পুৱা ৬.০০ বজা।

৭। ম'বাইল হাতত থকা সময়ত অধিক সময় ম'বাইলত কথা পাতি আন আৱাসীক আমনি কৰিব নোৱাৰিব।

৮। অসংযত সাজ-পোছাক (হাফপেণ্ট আদি) পৰিধান কৰি চৌহদৰ বাহিৰলৈ ওলোৱাটো নিষেধ।

৯। পৰীক্ষাত ফলাফল বেয়া কৰা/ শ্ৰেণীত অনিয়মীয়া উপস্থিতিৰ আৱাসীক হোষ্টেলত থাকিবলৈ দিয়া বা নিদিয়াটো বিবেচনা কৰি সিদ্ধান্ত লোৱা হব।

১০। হোষ্টেলৰ আৱাসী এগৰাকীয়ে আন গৰাকীক সন্মান কৰি চলাটো নৈতিক দায়িত্ব। প্ৰতিগৰাকী আৱাসীয়ে পুৱা সুপ্ৰভাত (Good Morning) আৰু গধূলি শুভৰাত্ৰি (Good night) আদি শিষ্টাচাৰসূচক শব্দেৰে এগৰাকীয়ে আনগৰাকীৰ লগত ভাবৰ আদান-প্ৰদান কৰিব লাগিব।

১১। মাৰ্চ মাহৰ পৰা আগষ্ট মাহলৈ সন্ধিয়া ৬.০০ বজাৰ পিছত আৰু ছেপ্টেম্বৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহলৈ ৫.০০ বজাৰ পিছত কোনো ছাত্ৰী আবাসী হোষ্টেলৰ প্ৰথম মহলাৰ চাঁদলৈ যাব নোৱাৰিব। কোনো আৱাসীয়ে এই নিষেধাজ্ঞা ভংগ কৰাৰ ফলত সংঘটিত হোৱা যিকোনো দুৰ্ঘটনাৰ বাবে হোষ্টেল কৰ্তৃপক্ষ জগৰীয়া নহ'ব।

১২। হোষ্টেলৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি প্ৰতিগৰাকী আৱাসীয়ে বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। প্ৰতি সপ্তাহত বা বন্ধৰ দিনত কমেও এঘণ্টাকৈ "**আমাৰ হোষ্টেল আমাৰ কাম**" শীৰ্ষক শ্লোগানেৰে হোষ্টেল আৰু কলেজ চৌহদ পৰিষ্কাৰকৰণৰ জৰিয়তে সমাজ সেৱা কৰিব লাগিব। প্ৰয়োজনসাপেক্ষে বাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে ৰাজহুৱা স্থানতো সমাজসেৱা কৰিব লাগিব। ইয়াৰ উপৰিও সাক্ষৰতা অভিযান, ৰক্তদানকে ধৰি অন্যান্য সমাজসেৱামূলক কাম-কাজত আত্মনিয়োগ কৰিব লাগিব। আৱাসীৰ মাজৰ পৰা বছৰৰ শ্ৰেষ্ঠ সমাজসেৱক বাছি উলিয়াই পুৰস্কৃত কৰা হ'ব।

১৩। কোনো পুৰুষ ভিজিটৰক কৰ্তৃপক্ষৰ অনুমতি অবিহনে হোষ্টেলৰ কোঠাৰ ভিতৰলৈ প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহিলা ভিজিটৰ প্ৰৱেশ কৰিব পাৰিব যদিও কোঠাৰ ভিতৰত ১০ মিনিটতকৈ বেছি সময় থাকিব নোৱাৰিব।

১৪। কোনো ধৰণৰ ৰাগিয়াল/ কীটনাশক দ্ৰব্য হোষ্টেল বা কোঠাৰ ভিতৰলৈ নিব নোৱাৰিব।

১৫। হোষ্টেলৰ ভিতৰুৱা বিভিন্ন সমস্যাৰ বিষয়ে অভিভাৱকক জনোৱাৰ পূৰ্বে হোষ্টেলৰ তত্বাৱধায়কক লিখিত ৰূপত জনাব লাগিব।

১৬। হোষ্টেলৰ সমস্যা সম্পৰ্কে অভিযোগ প্ৰথমে মণিটৰক লিখিতৰূপত দিব লাগিব। মৌখিক অভিযোগৰ কোনো ভিত্তি নাথাকিব। অন্যহাতে মণিটৰেও বিভিন্ন অভিযোগ লিখিত আকাৰত হোষ্টেলৰ তত্বাৱধায়কক জনালেহে উক্ত অভিযোগ সম্পৰ্কে কৰ্তৃপক্ষই বিবেচনা কৰিব আৰু সাধ্যানুসাৰে সমাধান কৰিব।

১৭। হোষ্টেলৰ নীতি-নিয়ম ভংগকাৰী আৱাসীৰ বিৰুদ্ধে তত্বাৱধায়ক বা হোষ্টেল পৰিচালনা সমিতিয়ে লোৱা চূড়ান্ত সিদ্ধান্ত আৱাসীয়ে মানি চলিবলৈ বাধ্য থাকিব লাগিব। অপৰাধৰ গভীৰতাৰ ভিত্তিত কৰ্তৃপক্ষই নিয়ম ভংগকাৰীৰ বিৰুদ্ধে হোষ্টেলৰ পৰা বহিষ্কৰণ, আইনগত ব্যৱস্থা আদি ল'ব। কৰ্তৃপক্ষৰ যিকোনো অনুশাসনমূলক পদক্ষেপৰ ক্ষেত্ৰত কোনো ধৰণৰ ওজৰ-আপত্তি নাথাকিব।

১৮। হোষ্টেলৰ মণিটৰে দিয়া নিৰ্দেশ প্ৰতিজন আৱাসীয়ে মানি চলিব লাগিব। অবাধ্য আৱাসীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১৯। হোষ্টেলৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰতিগৰাকী আৱাসীয়েই সকলো সময়তে সহযোগ কৰিব লাগিব।

২০। বিদ্যুৎ অপচয় ৰোধৰ ক্ষেত্ৰত প্ৰতিগৰাকী আৱাসীয়ে সজাগ আৰু সচেতন হ'ব লাগিব। কোনো আৱাসীয়ে বিদ্যুৎ অপচয় কৰাৰ প্ৰমাণ পালে জৰিমনা বিহা হ'ব।

আজি ইংৰাজী ................................. তাৰিখে মাজুলী মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া নিয়মাৱলীৰ প্ৰতিটো দফা মানি চলিবলৈ বাধ্য থাকিম বুলি আমি সৰ্বসন্মতভাৱে অংগীকাৰবদ্ধ হ'লোঁ। নিয়ম উলংঘাকাৰী আৱাসীৰ বিৰুদ্ধে গ্ৰহণ কৰা অনুশাসনমূলক ব্যৱস্থাৰ ক্ষেত্ৰত আমাৰ কোনো ওজৰ-আপত্তি নাথাকিব।

আৱাসীৰ স্বাক্ষৰ

................................................